# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

সেনাবাহিনীয়ে যোৱা মাজনিশা ১ বাজি ৫ মিনিটৰ পৰা ডেৰ বজাৰ ভিতৰত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ খন স্থানত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। পাকিস্তানৰ বাহাৱালপুৰৰ মাৰ্কাছ ছুভান আল্লা, মাৰ্কাছ টাইবা মুৰিদ্‌কে আৰু মেহমুনা জয়া আৰু শিয়ালকোটৰ সৰ্জল সন্ত্ৰাসবাদী শিবিৰত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলোৱা হয়। পাকিস্তান অধিকৃত জম্মু কাশ্মীৰৰ ছাৱাইনালা, মুজফ্‌ফৰবাদৰ চৈয়দ না বিলাল, কোটলি গুলপুৰ, বিম্বাৰ আৰু কোটলি আববাছৰ সন্ত্ৰাসবাদী শিবিৰো ধ্বংস কৰা হয়। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই অভিযানৰ সবিশেষ তথ্য প্ৰকাশ কৰি সেনাবাহিনীৰ কৰ্ণেল ছ'ফিয়া কুৰেচি আৰু বায়ুসেনাৰ ৱিং কমাণ্ডাৰ ব্যমিকা সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় দিয়াৰ বাবে অপাৰেচন সিন্দূৰ আৰম্ভ কৰা হয় বুলি প্ৰকাশ কৰে। এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি তেওঁলোকে প্ৰকাশ কৰে। সংবাদমেলত বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে ভাৰতে এই অভিযান সীমিত আৰু নিৰ্দিষ্ট লক্ষ্যৰে চলোৱা হৈছিল বুলি উল্লেখ কৰে।

তেওঁ কয়, যে জম্মু-কাশ্মীৰৰ পৰ্যটন খণ্ডত ঋণাত্মক প্ৰভাৱ পেলোৱা তথা অঞ্চলটোকে ধৰি সমগ্ৰ দেশত সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টি কৰাৰ উদ্দেশ্যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ চলোৱা হৈছিল। ৰেচিষ্টেঞ্চ ফ্ৰণ্ট নামৰ এটা সন্ত্ৰাসবাদী গোটে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা বুলি উল্লেখ কৰি শ্ৰী মিশ্ৰীয়ে কয়, যে লস্কৰ-ই-তৈবাৰ সৈতে এই গোটৰ সম্পৰ্ক আছে। তদুপৰি এই আক্ৰমণৰ সৈতে পাকিস্তান জড়িত থকাৰ প্ৰমাণো পোৱা গৈছে। পেহেলগাম আক্ৰমণৰ অন্তৰালৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ কৰাটো আৰশ্যকীয় বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিন্দুৰ অভিযান সফলতাৰে সম্পন্ন কৰাৰ বাবে সশস্ত্ৰ বাহিনীসমূহক ভূয়সী প্ৰশংসা কৰিছে।তেওঁ আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধকল্পে চলোৱা এই অভিযানৰ বিষয়ে মন্ত্ৰীসভাক অৱগত কৰে। বৈঠকত তেওঁ কেন্দ্ৰীয় মন্ত্ৰীসকলৰো শলাগ লয়। ইপিনে, চৰকাৰে অপাৰেচন সিন্দুৰ অভিযান সন্দৰ্ভত কাইলৈ দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলক এই অভিযানৰ বিষয়ে অৱগত কৰিব।

ooooo

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালৰ নিৰ্দেশ অনুসৰি দেশৰ ২৫৯টা স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। ইয়াৰ ভিতৰত ৰাজধানী দিছপুৰ, গুৱাহাটীৰ বাকী অংশ, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিগবৈ, নাহৰকটীয়া,

দুলীয়াজান, নাজিৰা, টিংখং, নামৰূপ, ৰঙিয়া, উত্তৰ লখিমপুৰ, বোকাখাট, নুমলীগড়, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰকে ধৰি ৰাজ্যৰ ২০টা স্থান আছে।

কোকৰাঝাৰত জিলা প্ৰশাসনে কোকৰাঝাৰ ৰে'ল ষ্টেচনত বিশেষ সতৰ্কতামূলক অনুশীলনৰ আয়োজন কৰে। এই অনুশীলনত অসামৰিক প্ৰতিৰক্ষা, আৰক্ষী, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ আৰু তথ্য আৰু জনসংযোগ বিভাগে অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিৰ লগতে আন দুটা স্থানত আজি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়।

এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ নিষ্প্ৰদীপ বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হ'য়।

ooooo

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ আজি বিয়লি সামৰণি পৰিছে। পুৱা চাৰে ৭ বজাৰ পৰা  অনুষ্ঠিত এই ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজালৈ ধাৰ্য কৰা হৈছিল যদিও যিসকল ভোটদাতা ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰসমূহত উপস্থিত আছে তেওঁলোকক ভোট দানৰ সুবিধা দিয়াৰ বাবে কিছু সময় বঢ়াই দিয়া হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি বিয়লি চাৰে ৩ বজালৈকে  নলবাৰী জিলাত ৫৯ দশমিক ৪-৫ শতাংশ, দক্ষিণ শালমাৰা জিলাত ৫৮ শতাংশ, গোৱালপাৰা জিলাত ৫৬ দশমিক ২-২ শতাংশ, বঙাইগাঁও জিলাত ৬২ দশমিক ৭-২ শতাংশ, বৰপেটা জিলাত ৬০ দশমিক ২-২ শতাংশ, বজালী জিলাত ৫৭ শতাংশ, কামৰূপ জিলাত ৫১ দশমিক ৩-৩ শতাংশ, কামৰূপ মহানগৰ জিলাত ৫৬ দশমিক ৮-৪ শতাংশ, হোজাই জিলাত ৫৭ দশমিক ৬-৫ শতাংশ, নগাঁও জিলাত ৫১ দশমিক ৭ শতাংশ, মৰিগাঁও জিলাত ৬০ দশমিক ১-৫ শতাংশ আৰু দৰং  জিলাত ৫৩ দশমিক ২-৫ শতাংশ ভোটদান হয়। ভোটদানৰ চূড়ান্ত হাৰ আজি নিশাৰ ভাগত ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

আজি ভোটগ্ৰহণ চলি থকাৰ মাজতে হোজাইৰ ধলপুখুৰী গাঁও পঞ্চায়তৰ ৫৬১ নম্বৰ ভোটকেন্দ্ৰত দায়িত্বত থকা প'লিং বিষয়া এজন হৃদৰোগত আক্ৰান্ত হোৱাত অসুস্থ বিষয়াজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। অৱশ্যে কিছু সময়ৰ বিৰতিৰ পাছত নতুন প'লিং বিষয়াই দায়িত্ব গ্ৰহণ কৰি ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়ে বুলি আমাৰ হোজাইৰ সংবাদদাতাই জনাইছে।

কামৰূপ জিলাৰ আমিনগাঁৱত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ ভোটদান কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ আঁহতগুৰিৰ মৰাকলং এল পি স্কুলৰ ভোটকেন্দ্ৰত ভোটদান কৰে। নগাঁও জিলাৰ বেঙেনাআটি প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

ooooo

সমাপ্ত